# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 04-07-2025
**Time :** 18-00 Hrs

***Assamese EVENING Bulletin***

**::::::::::::::::::::::::::::::**

ভূমিস্খলনৰ বাবে বন্ধ হোৱা লামডিং-শিলচৰ ৰে'লপথছোৱা পুনৰ ৰে'ল চলাচলৰ বাবে মুকলি কৰা হৈছে। ডিমা হাচাও জিলাৰ দিহাখো আৰু মুপা ষ্টেছনৰ মাজৰ ৰে'লপথছোৱা কালি বৃহৎ শিল আৰু মাটি খহি অহাৰ ফলত এই পথছোৱাৰে ৰেল চলাচল বন্ধ কৰি দিয়া হৈছিল। উত্তৰ-পূৱ সীমান্ত ৰে'লৱে সূত্ৰৰ উদ্ধৃতি দি আমাৰ শিলচৰৰ সংবাদদাতাই জনোৱা মতে, ভূমিস্খলনৰ ফলত ক্ষতিগ্ৰস্ত ৰে'লপথৰ পৰা শিল, বালি আঁতৰোৱাৰ পাছত আজি পুৱা ৯ বাজি ৪২ মিনিটৰ পৰা এই ৰে'লপথেৰে পুনৰ ৰে'ল চলাচলৰ অনুমতি দিয়া হয়। আগৰতলাৰ পৰা মুম্বাইৰ লোকমান্য তিলক টাৰ্মিনেছলৈ যাত্ৰা কৰা ১২৫২০ ৰে'লগাড়ীখনে ইয়াৰ পাছত সুকলমে ৰে'লপথছোৱা অতিক্ৰম কৰে। কালি লামডিং-শিলচৰ-বদৰপুৰ আৰু আগৰতলাত ৰখাই থোৱা ৰে'লগাড়ীসমূহৰ যাত্ৰীসকলক খাদ্য আৰু খোৱাপানী যোগান ধৰা হয় বুলি ৰে'লৱে সূত্ৰই প্ৰকাশ কৰিছে।

০০০০

গণিত বিষয়ৰ স্নাতক শিক্ষক পদৰ বাবে পদাৰ্থ বিজ্ঞান, ৰসায়ণ বিজ্ঞান অথবা জীৱ বিজ্ঞানৰ ভিতৰত যিকোনো এটা বিষয়ৰ সাধাৰণ স্নাতক হ'লেই হ'ব বুলি বিদ্যালয় শিক্ষা বিভাগে স্পষ্ট কৰি দিছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সমগ্ৰ বিষয়টোক লৈ বিদ্যালয় শিক্ষা বিভাগৰ আয়ুক্ত সচিবলৈ পত্ৰ প্ৰেৰণৰ পাছতে বিভাগে পাছকোৰ্চৰ বিভ্ৰান্তি আঁতৰাই এই নিৰ্দেশনা জাৰি কৰে। ৰাজ্যৰ ছটাকৈ মণ্ডলত চলি থকা বিভিন্ন বিষয়ৰ স্নাতক শিক্ষক পদৰ নথি পৰীক্ষণ প্ৰক্ৰিয়াত গণিত বিষয়ৰ স্নাতক শিক্ষক পদৰ প্ৰাৰ্থীসকলৰ অৰ্হতাক লৈ বিভ্ৰান্তিৰ সৃষ্টি হৈছিল। এই ক্ষেত্ৰত মাধ্যমিক শিক্ষাৰ সেৱা বিধিত উল্লেখ থকা মতে গণিতৰ স্নাতক শিক্ষক পদৰ বাবে সংশ্লিষ্ট প্ৰাৰ্থীগৰাকী গণিত বিষয়ত মেজৰ থকাৰ লগতে পাছকোৰ্চ হিচাপে পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান বা জীৱ বিজ্ঞান বিষয় থাকিব লাগিব। এনেধৰণৰ অৰ্হতাৰ চৰ্তৰ বাবে গণিত বিষয়ত মেজৰ থকাৰ পাছতো একেলগে পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান বা জীৱ বিজ্ঞান পাছকোৰ্চ হিচাপে নথকা প্ৰাৰ্থীসকলৰ নথি পৰীক্ষণ স্থগিত ৰখা হৈছিল। বঞ্চিত প্ৰাৰ্থীসকলৰ ওজৰ-আপত্তিৰ পাছত আজি বিদ্যালয় শিক্ষা বিভাগৰ স্পষ্টিকৰণে প্ৰাৰ্থীসকলক সকাহ প্ৰদান কৰিছে। বিদ্যালয় শিক্ষা বিভাগৰ এই নিৰ্দেশনাৰ ফলত এহেজাৰ ৭৩৭ টা গণিতৰ স্নাতক শিক্ষক পদৰ বাবে বাদ পৰি ৰোৱা বহু সংখ্যক প্ৰাৰ্থীৰ নথি পৰীক্ষণৰ বাট মুকলি হ'ব।

০০০০

সুগন্ধী পখিলাৰ কবি হীৰেন ভট্টাচাৰ্যৰ স্মৃতি দিৱসত আজি ৰাজ্যবাসীয়ে তেওঁক শ্ৰদ্ধাৰে সোঁৱৰিছে। প্ৰেম আৰু ৰ'দালিৰ কবি হিচাপেও পৰিচিত হীৰুদাৰ সৰল প্ৰকাশেৰে তুলি ধৰা কাব্য সম্ভাৰে দেশপ্ৰেম, সমাজ সচেতনতা আৰু মানৱতাৰ বিচিত্ৰ অনুভবেৰে সকলোকে মন্ত্ৰমুগ্ধ কৰি আহিছে। অসমীয়া সাহিত্য জগতৰ উজ্বল

নক্ষত্ৰ হীৰুদাৰ ১৩ খন কবিতা পুথি অসমীয়া ভাষাত প্ৰকাশ হোৱাৰ লগতে দুখন বঙালী ভাষালৈ অনূদীত কৰা হৈছে। ১৯৯২ চনত সাহিত্য অকাডেমী বঁটা লাভ কৰা হীৰুদাৰ প্ৰথম কবিতা পুথিৰ সংকলন আছিল **মোৰ দেশ মোৰ প্ৰেমৰ কবিতা**। সুগন্ধি পখিলা, শইচৰ পথাৰ মানুহ, ভালপোৱাৰ বোকামাটি, কবিতাৰ ৰ'দ আদি কাব্য সংকলনেৰে হীৰুদাই অসমীয়া কাব্য সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই হীৰুদাৰ স্মৃতি দিৱসত শ্ৰদ্ধাঞ্জলি জনাই কয়, যে জীৱনটোক গভীৰভাৱে অনুভৱ কৰি সৃষ্টিৰ বিশাল সাগৰত কবিতাৰ লহৰ তোলা হীৰুদাৰ নাম সকলোৰে হৃদয়ত আজীৱন ৰৈ যাব।

০০০০

গোলাঘাট বন সংমণ্ডল প্ৰাধীকাৰী কাৰ্যালয়ৰ সহযোগত আৰু আঞ্চলিক বন সুৰক্ষা বাহিনীৰ সহযোগত ৭৬ সংখ্যক বন মহোৎসৱ উপলক্ষে মৰঙিৰ তুলেশ্বৰী বৰুৱা মইনাপাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত আজি এখন সভা অনুষ্ঠিত হয়। বন মহোৎসৱ উপলক্ষে বিদ্যালয় চৌহদত কেইবাটিও গছপুলি ৰোপণ কৰা হয়। সভাত খুমতাইৰ বিধায়ক মৃণাল শইকীয়া আৰু সৰু পথাৰৰ বিধায়ক বিশ্বজিৎ ফুকনে বিনামূলীয়াকৈ গছপুলি বিতৰণ কৰে। সভাত গোলাঘাট জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া বিপুল কুমাৰ দাস, বন সংমণ্ডল প্ৰাধীকাৰী গুণদ্বীপ দাসৰ উপৰি অঞ্চলটোৰ বহুসংখ্যক লোক উপস্থিত থাকে।

০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ দংকামোকামত যোৱা নিশা বিদ্যুৎস্পৃষ্ট হৈ ডাঃ ৰূপলিন ৰংপিপি নামৰ প্ৰচুৰ সম্ভাৱনাপূৰ্ণ চিকিৎসকগৰাকীৰ মৃত্যুত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই শোক প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীয়ে এটা শোকবাৰ্তাত কাৰ্বি সমাজে চিকিৎসকগৰাকীৰ অৱদান সদায় মনত ৰাখিব বুলি উল্লেখ কৰে। চিকিৎসাবৃত্তিৰ সমানে সমানে সাংস্কৃতিক ক্ষেত্ৰতো দখল থকা চিকিৎসকগৰাকীৰ কালি সন্ধিয়া প্ৰবল বৰষুণ আৰু বিজুলী-ঢেৰেকনীৰ বাবে ইনভাৰ্টাৰ সংযোগ বিচ্ছিন্ন কৰিবলৈ যোৱাৰ সময়তে বিদ্যুৎ পৰিবাহী ছকেটত লাগি থিতাতে মৃত্যু হয়। ডাঃ ৰূপলিন ৰংপিপি ওমপানাই খণ্ড প্ৰাথমিক চিকিৎসালয়ৰ অন্তৰ্গত অতি দুৰ্গম অঞ্চল ক্ৰকেংদাঙত সমূহীয়া চিকিৎসা বিষয়া হিচাপে কৰ্মৰত আছিল।

ইপিনে কালি বিজুলী-ঢেৰেকনীত বৈথালাংছোৰ পুঞ্জা গাঁৱৰ ভালেকইগৰাকী লোক গুৰুতৰভাৱে আহত হোৱা বুলি আমাৰ পশ্চিম কাৰ্বি আংলঙৰ সংবাদদাতাই জনাইছে।

০০০০

সমাপ্ত